# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং : ৩৮৫
## উত্তৰ দানৰ তাৰিখ : ১৫/০৭/২০২৬
## *বিষয়ঃ* **শীতল সংৰক্ষণ গৃহ স্থাপন**
## বিধায়কৰ নাম : শ্ৰীবলিন চেতিয়াঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) শদিয়া বিধানসভা সমষ্টিত ৰবি শস্য আলু, সৰিয়হ, বিভিন্ন ধৰণৰ শাক-পাচলিৰ উৎপাদন বিগত কেইবছৰমানত যথেষ্ট বৃদ্ধি পাইছে। কিন্তু উপযুক্ত শীতল সংৰক্ষণ (Cold Storage) সুবিধাৰ অভাৱত কৃষকসকলে উৎপাদিত কৃষিজাত সামগ্ৰী সংৰক্ষণ কৰিব নোৱাৰি কম দামত বিক্ৰী কৰিবলৈ বাধ্য হৈছে। যাৰ ফলত তেওঁলোক আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। সেয়েহে চৰকাৰে অত্যাধুনিক শীতল সংৰক্ষণ (Cold Storage) স্থাপনৰ কোনো ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? (সদনত জনাব)।

(খ) উক্ত সমষ্টিৰ অন্তৰ্গত এন.চি.গাঁও, সংৰক্ষিত বনাঞ্চল, চাহ বাগিচা অঞ্চল আৰু চৰকাৰী ভূমিত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি কৃষক পঞ্জীয়ন নথকা কৃষকসকলে কৃষি বিভাগে ৰূপায়ণ কৰা ৰাজ্যিক অথবা কেন্দ্ৰীয় চৰকাৰৰ কোনো কৃষি আঁচনিৰ সুবিধা লাভ নকৰে। এই অঞ্চলসমূহত কৃষকসকলৰ নাম পঞ্জীয়ন কৰাৰ কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি ?

(গ) যিহেতু শদিয়া সমষ্টিৰ ৪০ শতাংশতকৈ অধিক এলেকা এন. চি গাঁও, সংৰক্ষিত বনাঞ্চল, চাহ বাগিচা অঞ্চল চৰকাৰী ভূমিৰ অন্তৰ্গত, সেয়েহে দুখীয়া কৃষকসকলৰ বাবে কৃষক পঞ্জীয়নৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? (সদনত জনাব)।

(ঘ) শদিয়াৰ উপ-বিভাগীয় কৃষি বিষয়াৰ কাৰ্য্যালয় নিৰ্মাণৰ বাবে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে সদনত জনাব।

**<u>উত্তৰ</u>**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব :

(ক) কৃষি বিভাগ অসমৰ অধীনত শদিয়া বিধানসভা সমষ্টিৰ লগতে অসমৰ অইন কৃষকৰ বাবেও উত্তৰ পূৱ আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্য সমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আঁচনিৰ অধীনত ৰবি শস্য আলু, সৰিয়হ, বিভিন্ন ধৰণৰ শাক-পাচলি সংৰক্ষণ কৰাৰ সুবিধাৰ্থে শীতলীকৃত বাহন, শীতল ভঁৰাল আৰু প্ৰাক শীতল গৃহৰ ব্যৱস্থা আছে।এই আঁচনিৰ অধীনত ইচ্ছুক কৃষক গোটে ৫০% ৰাজসাহায্যত উপৰোক্ত সুবিধাসমূহ লাভ কৰিব পাৰে ।

(খ) কৃষকৰ আই ডি লাভ কৰিবলৈ, কৃষকগৰাকীৰ নাম ভূমি অভিলেখত (Land Records) ভূমিৰ মালিক হিচাপে লিপিবদ্ধ থাকিব লাগিব।

যদি মাটিডৰা এতিয়াও কৃষকৰ পিতৃৰ নামত লিপিবদ্ধ থাকে, তেন্তে প্ৰথমে বাতোৱাৰাৰ অৰ্থাৎ মিউটেচন (Mutation) ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ভূমিৰ মালিকানা নিজৰ নামলৈ স্থানান্তৰ কৰিব লাগিব। মিউটেচন সম্পূৰ্ণ হোৱাৰ পিছতহে তেওঁ কৃষকৰ আই ডি ৰ বাবে পঞ্জীয়ন কৰিব পাৰিব।

ভাড়াতীয়া কৃষক (Tenant Farmer) সকলে কৃষকৰ আই ডি লাভ কৰিব নোৱাৰিব। কিন্তু, কৃষক পঞ্জীয়নৰ অন্তৰ্ভুক্ত বিশেষ সুবিধা অথৰাইজেচন মডিউল (Authorization Module) ৰ জৰিয়তে ভূমিৰ মালিকৰ অনুমোদন ক্ৰমে তেওঁলোকে চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব।

জটিলতা থকা বিষয় যেনে আধিয়াৰৰ খেতি, চাহবাগান, জৰীপ নোহোৱা মাটি, বনভূমি/চৰকাৰী ভূমি, আদি বিষয়বোৰ সমাধান কৰি কৃষকক সা-সুবিধা প্ৰদানৰ বাবে কৃষি বিভাগৰ তৰফৰ পৰা অহৰহ ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।(অৱশ্যে চৰকাৰী আৰু বনভূমিৰ অবৈধ দখলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে।)

(গ) ৰাজ্যত কৃষক পঞ্জীয়ন (Farmer Registry)ৰ অধীনত মুঠ ১৩.৩২ লাখ কৃষক পঞ্জীয়ন কৰা হৈছে।

ইয়াৰে তিনিচুকীয়া জিলাৰ ৪টা ৰাজহচক্ৰ সামৰি ৫২,৬৮৯ জন কৃষক পঞ্জীয়ন কৰা হৈছে। বৰ্তমানলৈকে শদিয়া ৰাজহচক্ৰৰ অধীনত ৬,৮৬৭ জন কৃষক পঞ্জীয়ন কৰা হৈছে।

বিভাগে বৰ্তমান সকলো জিলাৰ সংৰক্ষিত বনাঞ্চলৰ পট্টাদাৰসকলৰ তথ্য সংগ্ৰহ আৰু তথ্যৰ সংকলন কৰি আছে। এই উদ্দেশ্যে এটা নতুন মডিউল প্ৰস্তুত কৰা হৈছে, যি অতি শীঘ্ৰেই কাৰ্য্যকৰী হ'ব। ইয়াৰ জৰিয়তে বনাঞ্চলবাসী তথা সংৰক্ষিত বনাঞ্চলৰ পট্টাদাৰসকলক ৰাজ্যৰ কৃষক পঞ্জীয়নৰ অধীনত অন্তৰ্ভুক্ত কৰিব পৰা যাব।

২৫ জুন, ২০২৬ তাৰিখে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক (Small Tea Growers/Plantation Class)ৰ তথ্যও কৃষক পঞ্জীয়নত উপলব্ধ কৰা হৈছে।

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে চৰকাৰী ভূমিত খেতি কৰা কৃষকসকলৰ বাবে এটা নতুন মডিউল প্ৰৱৰ্তন কৰিব। এই মডিউলৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিশেষ ব্যৱস্থাপনাৰ অধীনত এনে কৃষকসকলক কৃষক আই ডি প্ৰদান কৰা হ'ব।

(ঘ) শদিয়াত মহকুমা কৃষি বিষয়াৰ কাৰ্য্যালয় আছে। তাৰোপৰি শদিয়াত এইবাৰ Annual Action Plan ত 100 M.T. Godown cum ADO Office নিৰ্মাণ কৰিবৰ বাবে প্ৰাককলনত অন্তৰ্ভুক্ত কৰা হৈছে।

*************